24
daily24.in

জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

N-11989/65 । ৬১ বছৰ । ৩৫২ সংখ্যা, ১৪ শাওণ, শুকুৰবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 352। DIBRUGARH, FRIDAY, JULY 31, 2026। পৃষ্ঠা ১৬ (Pages 16) ৯.০০ টকা (Rs. 9.00)

Estd. 19..
Date......
Dibrugarh

'দৈনিক অসম
সংগ্ৰহ কৰাৰ ক্ষে
সন্মুখীন হোৱ
যিকোনো সমস্য
বাবে অনুগ্ৰহ ক
এই ফোন নম্বৰ
যোগাযোগ কৰক
৭০০২৩ ১৭০৪

## কানৈ মহাবিদ্যালয় অসমৰ বহু বিশ্ববিদ্যালয়তকৈ উচ্চ পৰ্যায়ৰ

### ইংৰাজী বিভাগৰ অত্যাধুনিক ভৱন উদ্বোধনী অনুষ্ঠানত উপাচাৰ্য ডঃ জিতেন হাজৰিকা

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**ডিব্ৰুগড়, ৩০ জুলাইঃ** স্বায়ত্তশাসিত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ মাজত কোনোধৰণৰ পাৰ্থক্য নাই। স্বায়ত্তশাসিত মহাবিদ্যালয় হিচাপে কানৈ মহবিদ্যালয় অসমৰ বহু বিশ্ববিদ্যালয়তকৈ উচ্চ পৰ্যায়ৰ। মহাবিদ্যালয়খনে সংযোজন কৰা প্ৰযুক্তিবিদ্যা, আন্তঃগাঁথনি তথা অন্যান্য সা-সুবিধাসমূহ অসমৰ বিভিন্ন বিশ্ববিদ্যালয়তকৈও অধিক উন্নত মানৰ।— ঐতিহ্যমণ্ডিত ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ইংৰাজী বিভাগৰ অত্যাধুনিক নৱনিৰ্মিত ভৱনটো উদ্বোধন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ জিতেন হাজৰিকাই কালি এইদৰে কয়। গুৰুপূৰ্ণিমাৰ শুভ ক্ষণত ভৱনটো উদ্বোধন কৰি উপাচাৰ্য ডঃ হাজৰিকাই কয়— কানৈ মহাবিদ্যালয়ে সাহসেৰে প্ৰতিটো বিভাগৰ লগতে শ্ৰেণীকোঠাত শীত-তাপ নিয়ন্ত্ৰিত ব্যৱস্থাৰ লগতে কৃত্ৰিম বুদ্ধিমত্তাসম্পন্ন স্মাৰ্ট ব'ৰ্ডৰ ব্যৱস্থা কৰিছে, সেই সাহস ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আজিও কৰিব পৰা নাই। এনে এক সাহসেৰে মহবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই মহাবিদ্যালয়খনক আগুৱাই নিয়াৰ বাবে অধ্যক্ষগৰাকীক ধন্যবাদ জ্ঞাপন কৰি কয়— ইংৰাজী বিভাগে এটা নিজা ভৱনেৰে যি স্বতন্ত্ৰতা লাভ কৰিছে অনাগত দিনত মহাবিদ্যালয়খনৰ আন আন বিভাগসমূহেও এই সুবিধা লাভ কৰিব। উপাচাৰ্য ডঃ হাজৰিকাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— সমস্যা সমাধান কৰাতকৈ সমস্যাৰ লগত জড়িত ব্যক্তিসকলক সংশোধন কৰাটোহে অতি গুৰুত্বপূৰ্ণ। তেওঁ কয়— কোনো এটা অনুষ্ঠান ব্যক্তিৰ দ্বাৰাহে পৰিচালিত হয়। সেই ব্যক্তিজন হৈছে এজন মানুহ, কিয়নো কোনো এজন মানুহেই সকলো ফালৰ পৰা এশ শতাংশ শুদ্ধ হ'ব নোৱাৰে আৰু এশ শতাংশ শুদ্ধ মানুহ পৃথিৱীত বিচাৰি পোৱা অতি কঠিন। তেওঁ কয়— ইংৰাজী বিভাগৰ যিদৰে এটা নতুন ভৱন উদ্বোধন হৈছে, ঠিক তেনেদৰে অনাগত দিনত কানৈ মহাবিদ্যালয়ৰ অন্যান্য বিভাগসমূহৰো নতুন ভৱন হওক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম খোলাৰ ব্যৱস্থা হওক। মহাবিদ্যালয়ৰ অন্যতম প্ৰাণ প্ৰতিষ্ঠাতা হনুমানবক্স কানৈ, প্ৰতিষ্ঠাপক অধ্যক্ষ ডঃ যোগীৰাজ বসু, ডঃ লক্ষ্মী প্ৰসাদ দত্ত, অশ্বিনী চৰণ চৌধুৰীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰি উদ্বোধন কৰা সভাত উপাচাৰ্যগৰাকীয়ে কয়— শ্ৰম, বুদ্ধিমত্তা আৰু অধ্যৱসায়ে জীৱনত কৃতকাৰ্য হোৱাত সহায় কৰে। কঠোৰ শ্ৰম আৰু অধ্যৱসায়ৰ মাজেৰে অধিক বুদ্ধিমত্তা আয়ত্ত কৰিব পাৰি।

ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ডঃ মধুমিতা পুৰকায়স্থই সভাপতিত্ব কৰা সভাখনত অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই ইংৰাজী বিভাগৰ এই নৱনিৰ্মিত ভৱনটো নিৰ্মাণ কৰাৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সমূহ সদস্য, ইংৰাজী বিভাগৰ মুৰব্বী প্ৰমুখ্যে সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰে।



অনুষ্ঠানটিত উপস্থিত থাকি উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ প্ৰাক্তন সচিব কমলজ্যোতি গগৈয়ে ইংৰাজী বিভাগটো স্বতন্ত্ৰভাৱে হৈ উঠাত সন্তোষ প্ৰকাশৰ লগতে বিভাগীয় মুৰব্বীক এটি ইংৰাজী পৰীক্ষাগাৰ গঢ়ি তোলাৰ বাবে আহ্বান জনায়। তেওঁ মহাবিদ্যালয়খনে বিভিন্ন ক্ষেত্ৰত লাভ কৰা বিভিন্ন বঁটা-বাহন, সন্মানৰ বাবে অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াক শুভেচ্ছা জ্ঞাপন কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডঃ লখিৰাম শইকীয়া, পৰিচালনা সমিতিৰ সদস্য অভিমন্যু বৰুৱা, পৰিচালনা সমিতিৰ দাতা সদস্য, বিশিষ্ট সমাজকৰ্মী, শিক্ষা শিৰোমণি জ্যোতি প্ৰসাদ, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ পাৰ্থ গাংগুলী, গুৱাহাটীৰ মিমাংশু মহন্ত, ভূষিতা মহন্ত, কৃষ্ণাক্ষী শইকীয়াই অনুষ্ঠানটিত উপস্থিত থাকি মননশীল বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে অনুষ্ঠানৰ লগত সংগতি ৰাখি ষ্টে ফিট যোগা কেন্দ্ৰৰ পৰিচালন সঞ্চালক জগদীশ ভৰালী আৰু কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াৰ উপস্থিতিত উপাচাৰ্য ডঃ জিতেন হাজৰিকাই এটি মহানিমৰ পুলি ৰোপণ কৰে। ইংৰাজী বিভাগৰ অধ্যাপিকা ডঃ হানিফা ৰহমানে আঁত ধৰা সভাখনত মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডঃ ৰাজী কোঁৱৰ, প্ৰাক্তন অধ্যাপক, মুনীন শৰ্মা, ডঃ প্ৰতীক চৌধুৰীকে ধৰি ভালেকেইজন প্ৰাক্তন অধ্যাপক-অধ্যাপিকা, বৰ্তমানৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানটিত উপাচাৰ্য ডঃ হাজৰিকাক ফুলাম গামোচা, চেলেং চাদৰ, সম্বৰ্দ্ধনা পত্ৰ আৰু অনুষ্ঠানৰ স্মৃতি বিজড়িত এখন স্থিৰ চিত্ৰৰে সম্বৰ্দ্ধনা জনোৱা হয়।